At around 9.30 AM in the morning, we reached Delhi Airport Terminal 3, and boarded the flight to go to Srinagar. I was very excited, because I was going to a place which is known as the heaven on earth. It was Kashmir. The northern most area on India map. We landed at Srinagar Airport at around 1 PM. I had a great desire to see Kashmir since my childhood. And I landed in Kashmir. Wow!!! What a feeling, I can't express. We observed that, the Srinagar Airport was heavily guarded by the Security forces. It was quite obvious. We all know about it. We came out of the Airport and booked one Tata Sumo to go to Dal Lake in Srinagar, where we did booking in a houseboat. If someone goes to Kashmir and does not stay at houseboats on Dal Lake, then Kashmir trip is incomplete in all aspects. We reached Dal Lake gate No. 15 where a person named Mehraj was waiting for us to take us to the Houseboat by a boat. That boat is known as "Shikara". We observed that, there are hundreds of Shikaras plying in the Dal Lake. What a beautiful scenario. While boarding at the Shikaras, Shammi Kapoors famous film which I watched during my childhood "Kashmir Ki Kali" came to my mind. All the Shikaras were very nicely decorated. While we were travelling to our houseboat, I crossed three houseboats "Gul", "Gulshan" and "Gulfam" on our way. A famous Doordarshan serial "Gul Gulshan Gulfam" was telecasted way back in late 80's or early 90's. I still remember those moments of my childhood and really it was an amazing feeling seeing those things by my own eyes. After around 15 minutes we reached our houseboat "Golden Hopes" where we had advanced booking. The owner welcomed us on the houseboat and we were provided a very nice room. All the houseboats on the Dal Lake used to have one drawing room, one dining room and a couple of bed rooms. Total homely comfort. After resting there for a while we opted for a Shikara ride on Dal Lake. During our ride, we observed that, on the Dal Lake, over the boats, there are quite a large number of shops including Govt Emporiums were available where the tourists can do their shopping. Almost everything was available in the shops. We entered one shop and purchased some Kashmiri Shawls and some winter clothes at quite a reasonable rate. My wife enjoyed it like anything. Then we had a very romantic photosession over the Shikara, by a professional photographer. We were provided Kashmiri traditional dresses by the photographer on hire basis and he took some beautiful and romantic snaps. Those snaps are still available on my facebook profile. For Kashmiri people, tourism is their bread and butter, and that's why they are very much conscious to make the tourists happy under any cost. The Kashmiri people are very good at heart as per my opinion. In the

evening, we had an informal chat with the houseboat owner over the Kashmir issue. I really feel pity for them. The real incidents which he described to us were unimaginable. However, I do believe that, the general Kashmiris are misleaded by the so called Kashmiri leaders. Anyway I won't go further on this Kashmir problem. Lets come back to "Mainamoon".

Next day, on 29th December 2012, we planned to go to Gulmarg. But due to heavy snowfall at Gulmarg, we could not go there. May be next time when I'll visit Kashmir, I'll go there. We planned for a Srinagar city tour. We hired one Chevrolet Tavera vehicle for the day. First we visited the famous Sankaracharya temple. I remembered the movie, "Mission Kashmir". The Sankaracharya temple was at a hill top. It was a high security area. Mobile phones, cameras were not allowed to be taken inside the temple and that's why we kept these things in our vehicle. We had to walk a lot reaching the temple. It was very steep. We had to cross nearly 250 steps upwards. As we were going up, we experienced difficulty in breathing. And all of a sudden, snowfall started. What a moment!!!!. I never experienced snowfall in my life. We enjoyed it to the fullest. The breathing problem suddenly disappeared and we enjoyed it to the fullest. After some time we returned from the temple and continued our trip and visited the famous Shalimaar Bag, Moghul Garden, Hazratbal Dargah, Lal Chowk etc etc. While going to Hazratbal Dargah, we saw University of Kashmir. I went inside the campus and observed that, the infrastructure of the University is quite good. After some time we took our lunch and did some shopping in the market and returned to our houseboat and spent the night there.

I forgot to mention about the Kashmiri food. Believe me; it is almost similar to our Assamese food. Rice, dal, sabzi, fish, chicken, everything is cooked the same way as we cook our food at home. Another thing, I found a lot of similarity between Srinagar and Guwahati. Srinagar looks almost same as Guwahati. Surrounded by hill from three sides and Dal Lake on one side.

Our trip was at the last stage. Next day, the 30th December 2012 at around 1.30 pm we had our flight to Delhi. The owner of the houseboat advised us to go to the Airport early as because, it was very high security zone and around 4 layers of security cover is available at the Airport. To cross the security cover at the Airport is a herculean task. We arrived at the Airport at 11 am and I saw there was a very long queue in front of the main entrance. From the entry gates, we found that, whatever the houseboat owner was telling to us was very true. We reached the airport quite early so we did not have much trouble. However, I never experienced such a tight security cover in any Airport. At last we boarded the flight. When the flight took off, we could see the glimpse of the great Himalaya fully covered with snow. Such a wonderful sight! Really, it was Kashmir, the 'Heaven on Earth'!

We landed at Delhi airport after some time where my friend Prantik was waiting for us at the airport. We went to his place at Dwarka and spent the night there. In between we made a visit to the famous Sarojini Nagar market at Delhi and did some shopping. It was Prantik's birthday and he treated us at the Assam House of Delhi.

Next day, 31stDecember 2013 morning at around 7 am we had our return flight to Guwahati. We woke up early and Prantik dropped us at the airport. We boarded the Air India flight to return back to Guwahati and then to Dimapur. We were very sad as because, our trip was over. However these sweet memories of "Mainamoon" will always linger in our memory. We reached Guwahati at around 10 am. We had some time on our hand, and we took our lunch at "Kharika" restaurant in Guwahati. Then we boarded B G Express and reached Dimapur at 8 pm. We took one auto and reached our home. It was New Year eve. We were very tired but we did not sleep. At 12 midnight, Both I and my wife wished each other

"HAPPY NEW YEAR!!!!"

মাওলিনং দেখিলো

শ্রীড্রিমলী ভওৰ
প্রাক্তন ছাত্রী
পর্যটন বিভাগ (২০০৯-১০)



সময় পৰা ৭ বাজি ৪০ মিনিট, ২০ ডিচেম্বৰ, ২০১২। বছৰেকীয়া পৰীক্ষাৰ অন্তত স্কুল বন্ধ থকা বাবে স্কুলৰ শিক্ষক-শিক্ষয়িত্রীসকলৰ লগত আমি শ্বিলঙলৈ উলিওৱা যাত্রাৰ আজি দ্বিতীয় দিন। অতিপাত হাড কঁপোৱা ঠাণ্ডা। চৌদিশে মাথোঁ ডাৰৰ, কুঁৱলী আৰু মাথোঁ ডাৰৰ। পূৰ্বে নির্ধাৰিত কৰি থোৱা সময় অনুসৰি ৭-৩০ বজাত আমাৰ গাডী আহি হোটেলৰ সন্মুখত ৰ'লহি। আমি আটায়ে ঠাণ্ডাত কঁপি কঁপি গাডীৰ ওচৰ পালোহি। শ্বিলঙৰ সহ্য কৰিব নোৱাৰা ডিচেম্বৰ মাহৰ তীব্র ঠাণ্ডা। কোনোমতে গাডীত হিটাৰ অন কৰাতহে সকলো অকণ স্বাভাৱিক অৱস্থালৈ আহোঁ। পূৰ্বৰ পৰিকল্পনা মতে আমি বিখ্যাত মাওলিনং গাঁৱলৈ যোৱাৰ বাবে সাজু হ'লো। কুঁৱলীয়ে ধূসৰিত আকাশ-বতাহ আৰু ধৰিত্রী। যেন স্বর্গৰপৰা কোনোবা দেৱ-দেৱীয়ে শুভ্র চাদৰ এখনহে আমাৰ আগমনৰ বাবে পাৰি থৈছে। হেড্লাইট জ্বলাই আমি লাহে লাহে শ্বিলঙৰ পৰা ৯০ কিঃ মিঃ দূৰত থকা আমাৰ গন্তব্যস্থানলৈ গতি কৰিলো। আমাৰ যাত্রী আছিলো আঠজন। ড্রাইভাৰৰ সৈতে নজন। ড্রাইভাৰজন পৰিপক্ক আছিল বাবে যাত্রা পথত কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ আমাৰ গাডী শ্বিলঙৰ একাঁ-বেঁকা পথৰ মাজেৰে আগবাঢিলৈ ধৰিলে। গাডী চলিবলৈ আৰম্ভ কৰাৰ কিছু সময়ৰ পিছৰ পৰাই এক আনন্দমুখৰ পৰিবেশৰ সৃষ্টি হ'ল । কোনোৱে গান গাইছে, কোনোৱে আকৌ বহি থকাৰে পৰাই হাত-ডিঙি ভাঙি গানৰ তালে তালে নচাৰ প্রয়াস কৰিছে, কোনোৱে আকৌ তুলিছে কৌতুকৰ আড্ডা। বতৰটোও লাহে লাহে ফৰকাল হৈ অহাত আমাৰ মনবোৰ দুগুণে আনন্দিত হ'ল। সূর্যৰ প্রথম কিৰণে শ্বিলঙৰ বুকুত চুমা আঁকি কুঁৱলীবোৰ নিমিষতে নাইকিয়া কৰি পেলালে। খিৰিকীৰে বাহিৰলৈ চাই দেখিলো পাৰাপাৰ নেদেখা প্রকৃতিৰ সেউজীয়া নোমাল আঁচল। ক'লা কিচ্কিচিয়া সাপ এডালৰ দৰে পৰি থকা মসৃণ পথৰ দুয়োকাষে থকা সেউজীয়া পাহাৰৰ মাজে মাজে আমাৰ গাডীখন লাহে লাহে আগবাঢিলৈ ধৰিলে। প্রকৃতিৰ এনে অপৰূপ সৌন্দর্যই আমাক বাকৰুদ্ধ কৰি তলিলে। মাওলিনং গাঁৱলৈ এই চাৰে -তিনিঘণ্টীয়া যাত্রাপথত শ্বিলঙৰ মনোমোহা সৌন্দর্যই আমাৰ মন-প্রাণ ভৰাই তুলিলে। অৱশেষত প্রায় দহমান বজাত আমি খাছী পাহাৰৰ বকৰ আমাৰ লক্ষ্যস্থানত উপনীত হওঁ।

মাওলিনং— যাক কোৱা হয় 'ভগৱানৰ স্ব-বাগিচা' (God's own garden)। ২০০৩ চনত এছিয়াৰ ভিতৰত শ্রেষ্ঠতম পৰিষ্কাৰ গাঁওৰূপে আৰু ২০০৫ চনত ভাৰতৰ শ্রেষ্ঠতম পৰিষ্কাৰ গাঁওৰূপে স্বীকৃতিপ্রাপ্ত এইখনেই হ'ল-মাওলিনং গাঁও। এখন সাধাৰণ গাঁৱৰ পৰা বিশ্ববিখ্যাত হোৱা মাওলিনং গাঁৱলৈ ইয়াৰ বাসিন্দাসকলৰ ভূমিকা অনস্বীকার্য। গাঁৱৰ প্রত্যেকজন ব্যক্তিয়েই নিজৰ ঘৰখনৰ লগতে গাঁওখনো পৰিষ্কাৰ কৰি কৰি ৰখাটো অন্যতম কর্তব্য বুলি বিবেচনা কৰে। চৌদিশে পাহাৰ, গছ-গছনিৰে আবৃত মাওলিনঙৰ প্রাকৃতিক সৌন্দর্য বর্ণনাতীত। প্রত্যেকজন গাঁওবাসীয়েই নিজ গাঁওখনক লৈ গৌৰৱ অনুভৱ কৰে। বিশেষকৈ বাৰিষাকালত মাওলিনং অধিক আকর্ষণীয় হৈ উঠে। এফালে চিৰ সেউজীয়া পাহাৰৰ বুকুত সঞ্চিত থকা থুপি থুপি গছৰ কোমলীয়া পাতৰ মোহনীয়তা, আনফালে আকৌ অবিশ্রান্ত জলপ্রপাতৰ পৰা ওলাই অহা চিৰপ্রৱাহমান জলধাৰৰ কুল্-কুল্ শব্দ। এনেদৰেই প্রাকৃতিক শোভাৰে মাওলিনঙে বিশ্বৰ বিভিন্ন প্রা পর্যটকসকলক হাত বাউল দি অবিৰামভাৱে মাতি আছে। এই মুহূর্তত মাওলিনঙৰ প্রাকৃতিক শোভা যিমানেই বর্ণনা নকৰো কিয় সেয়া সকলো কম হ'ব।

পৰিষ্কাৰ-পৰিচ্ছন্নতাক মাওলিনংবাসীয়ে এক অতিকে পৰণি পৰম্পৰা হিচাপে বিবেচনা কৰি আহিছে যিটো ধাৰণা বৰ্তমান প্ৰত্যেকজন গাঁওবাসীৰ শিৰাই শিৰাই প্ৰৱাহিত হৈ আছে। প্ৰত্যেকজন গাঁওবাসীয়ে গছৰ সৰাপাত আৰু পথৰ দাঁতিত থকা জাবৰ-যোঁথৰ বটলি ডাষ্টবিনত পেলোৱাটো গাঁওখনৰ প্ৰায় সকলো সময়ৰে এক চিনাকি দৃশ্য। গাঁওখনৰ চুকে-কোণে থোৱা বাঁহেৰে নিৰ্মিত প্ৰত্যেকটো ডাষ্টবিনে মাওলিনংবাসীৰ পৰিৱেশৰ প্ৰতি থকা দায়বদ্ধতাৰ দিশটোকেই সূচায়। ইয়াৰ উপৰি প্ৰায় সকলো গাঁওবাসীৰ ঘৰ কাঠ আৰু বাঁহেৰে নিৰ্মিত. ঘৰৰ সন্মুখভাগত সৰু সৰু গছ. অৰ্কিড. ফুলনি আৰু গেটৰ ওচৰতো বাঁহ নিৰ্মিত ডাষ্টবিন থকা আমাৰ চকুত পৰিছিল। ঘৰৰ আচ্বাব আদিও কাঠ আৰু বাঁহেৰে নিৰ্মিত য'ত ঘৰৰ ভিতৰতো এটা চকত ডাষ্টবিন ৰখা দেখিছিলো।

মাওলিনঙৰ মাজেৰে খোজকাটি গৈ থাকোঁতে গাঁৱৰ মাজতে সৰু সৰু চাহৰ দোকান আমাৰ চকুত পৰিল। আমি এখন্তেক বহি তাৰো সোৱাদ ল'লো। দিনটোৰ অৱস চাহকাপে ভালেখিনি কমাই পেলালে। গাঁৱৰ মাজে মাজে খোজকাটি গৈ থাকোঁতে ভাবিলো আমাৰ অসমৰ গাঁওবোৰো যদি এনেকুৱা হ'লহেঁতেন। মাওলিনংবাসী আন গাঁওবাসীৰ বাবে সঁচাকৈয়ে ঈৰ্ষাৰ পাত্ৰ। মাওলিনং ভাৰত-বাংলাদেশ সীমান্তত অৱস্থিত বাবে আমি সকলোৱে বিহংগম দৃষ্টিৰে বাংলাদেশৰ অপৰূপ সৌন্দৰ্যও উপভোগ নকৰাকৈ থাকিব নোৱাৰিলো। শিক্ষাৰ ফালৰ পৰাও মাওলিনং লে ল'বলগীয়া। লোকপিয়ল অনসৰি মাওলিনঙৰ সাক্ষৰতা হাৰ শতকৰা এশ শতাংশ। দৈনন্দিন ব্যৱহাৰ্য ভাষাও হ'ল ইংৰাজী। গাঁওখনত থলুৱা শিক্ষক নিযুক্তিপ্ৰাপ্ত এখন ইংৰাজী মাধ্যমৰ মজলীয়া বিদ্যালয়ো আছে। গাঁওবাসী নিত্য ব্যৱহাৰ্য সা-সামগ্ৰী ক্ৰয়ৰ বাবে প্ৰায় দুঘণ্টা আঁতৰত থকা সাপ্তাহিক বজাৰলৈ যাব লাগে। পৰিবহণৰ বাবে বাছ আছে যদিও থলুৱা লোকৰ লগতে অধিক সংখ্যক পৰ্যটকেই চিৰসেউজীয়া অৰণ্যৰ মাজে মাজে পথৰ দাঁতিয়ে দাঁতিয়ে খোজকাটি যাবলৈকে ভাল পায়। পৰ্যটন উদ্যোগ হৈছে মাওলিনংবাসীৰ জীৱন-ধাৰণৰ অন্যতম উপায়।

দিনটোৰ বহু অভিজ্ঞতা বটলাৰ অন্তত আমি আটায়ে গাঁৱৰ মুখিয়ালৰ অনুৰোধ মৰ্মে তেওঁৰ ঘৰতে দুপৰীয়াৰ আহাৰ গ্ৰহণৰ বাবে সিদ্ধান্ত ল'লো। ঘৰৰ ভিতৰলৈ সোমাই গ'লে... কি এক পৰিষ্কাৰ পৰিৱেশ! মুখ-হাত ধুই আহি পোনে পোনেই খাবলৈ বহিলো। ৰন্ধন প্ৰকৰণসমূহ লক্ষ্য কৰি গম পালো সকলোবোৰ থলুৱাভাৱে ঘৰতে ৰন্ধা খাদ্য। এক সুন্দৰ গোন্ধই সকলোৰে পেটৰ ভোকটোক আৰু বঢাই তুলিলে। আমি আটায়ে অতি সুন্দৰকৈ খাই বৈ লাহে লাহে ওভতনি যাত্ৰা আৰম্ভ কৰিলো আকৌ সেই একেই সেউজীয়াৰ মাজেৰে। চকু মদি দিলো আনন্দত আৰু অনুভৱ কৰিবৰ চেষ্টা কৰিলো সপোন সপোন লগা দিনটোৰ পাৰ হৈ অহা আনন্দমুধৰ সময়খিনিৰ। অনুভৱ কৰিবৰ চেষ্টা কৰিলো মাওলিনংবাসীৰ কৰ্তব্যপৰায়ণতা। খিৰিকীৰে বাহিৰলৈ চাই দেখিলো বেলিটো পাহাৰৰ সিপাৰে লুকাই ছে। গাড়ীৰ ভিতৰৰ সহযাত্ৰীসকলো ইতিমধ্যে নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰিছে। ময়ো লাহে লাহে ভাগৰ অৱসাদে জুমুৰি দি ধৰা মোৰ চকহাল এক গভীৰ প্ৰশান্তিত মদি দিবৰ চেষ্টা কৰিলো।

With Best Compliments from :

Phone: (0374) 2338284

MITRA AGENCY & CO.

BOOK-SELLERS, PUBLISHERS & STATIONERY DEALERS

P.O. TINSUKIA - 786 125, ASSAM



Danthen waterfall, Shillong

BRIEF PROFILE

Rupak Borgohain

PGDTM 2008 batch

Purvy Discovery,Dibrugarh Assam.

rupakborgohain@rediffmail.com






Namdapha to Trail



Menchuka, Arunachal Pradesh



Small streams, Meghalaya



Kaziranga National Park, Assam




Kowai (Pan) chewing Khasi at Shillong peak

Shreyam ...













কাল-কট

('কাল-কট' বিশ্ববিদ্যালয় সপ্তাহৰ 'পৰ্ণাংগ নাটৰ' পাণ্ডুলিপি প্ৰতিযোগিতাত দ্বিতীয় স্থানপ্ৰাপ্ত

হিমাংশু দাস
ব্যৱস্থাপনা অধ্যয়ন কেন্দ্ৰ
এম.বি.এ. ২০১১-১৩ বৰ্ষ
das.himangshu35@gmail.com



চৰিত্ৰ বিশ্লেষণ

পৰমা ঃ ঘৰৰ মৰৰ্ব্বী (৬৫ বছৰ)
বিমল ঃ পৰমাৰ বৰপত্ৰ (৩৫ বছৰ)
জৰি ঃ বিমলৰ পত্নী (২৮ বছৰ)
জীৱন ঃ পৰমাৰ দ্বিতীয় পত্ৰ (২৮ বছৰ)
সপোন ঃ পৰমাৰ তোলনীয়া পত্ৰ (২৮ বছৰ)
বিনয় ঃ লগুৱা (৩২ বছৰ)
পিংকী ঃ বিমল-জৰিৰ সন্তান (৬ বছৰ)
কে.কে.কে. ঃ খলনায়ক (২৭ বছৰ)
মেক ঃ খলনায়কৰ লগৰীয়া (২৫ বছৰ)

বিপিন, কমল, মোহন, ৰমেন বিনয়ৰ সমনীয়া

দৃশ্য - ১

ৰাজহুৱা ঠাই এটকৰাত এটা সামান্য যৰ আড্ডা চলি আছে। দজনে মিলি কেৰম খেলি আছে। ৰমেনে চেলফোনত এটা গান বজাই আছে। কাষৰ বেঞ্চখনত বিপিন, মোহন বহি থাকে। বিপিনে বাতৰি কাকত পঢি আছে।

বিপিন ঃ ঐ ৰমেন, কালি খেল চালি নে নাই?
ৰমেন ঃ অ' চালো। মাষ্টাৰে কি খেলিলে অ'। অকলে শেষ কৰি দিলে।
মোহন ঃ ইণ্ডিয়াৰনো আৰু কি? এদিন জিকে, এদিন হাৰে।
ৰমেন ঃ ইণ্ডিয়াৰ বলিং চাইডটো খব দৰ্বল হৈ আছে। জাহিৰ খানে অকলেনো কিমান চম্ভালিব?
কমল ঃ ঐ ক্ৰিকেটক পিছত চম্ভালিবি দেচোন আগতে নিজৰ খেল চম্ভাল।
বিপিন ঃ অকল বলিঙেইনহয়, ভাৰতৰ ফিল্ডিঙতো বহুত ভল আছে। ধোনীৰো বহুত ভল আছে। সি বলাৰক ইউজ কৰিবই জনা নাই। আৰু সি ইউচফক ওৰান ডাউন কিয় নমাব লাগে?
কমল ঃ ঐ ৰমেন, তোৰ তাত ধোনীৰ ফোন নাম্বাৰ আছে নেকি অ'?
ৰমেন ঃ কিয়?
কমল ঃ নহয় মানে, ইয়াৰ কমেণ্টটো ধোনীক দি দিব পাৰিলো হয়।
(আটায়ে হাঁহে।)
বিপিন ঃ ঐ খেল নেখেলিব পাৰো, কিন্তু ক্ৰিকেট সম্পৰ্কীয় অভিজ্ঞতা ধো কোনোগুণে কম নহয় বজিছ?
কমল ঃ হ'ব দে, তোৰ অভিজ্ঞতা তোৰ লগত ৰাখ। ঐ বেলেগ গান এটা বজাঅ'।
মোহন ঃ বিহু লগা বিহু।
(ৰমেনে 'বাতি ভৰাই চিৰা...' গান লগায়।)
কমল ঃ এই একেটা গানকেনো কিমান নবজাৱ? শুনি শুনি আমনি লাগি গৈছে। বেলেগ বজাচোন।
(ৰমেনে আকৌ বেলেগ গান এটা বজায়। তেনেতে তাৰ ফোন আহে।)
কমল ঃ কি হ'ল অ'?
ৰমেন ঃ ৰ' ফোন এটা আহিছে। (ৰিচিভ কৰে, মিঠা সৰত) অ' কোৱা... আবেলি কিয়? ক্লাছ কেইটাত আছে তোমৰ? অ' আবেলি চিউচন আছে নহয়, তেতিয়া লগ পাম দিয়া।
কমল ঃ হ'ল আৰু, আমাৰ প্ৰেমকমাৰৰ গাত প্ৰেমৰ বতাহ বলিলেই। ঐ কেইটাত টাইম দিছে?
ৰমেন ঃ এ নহয় অ' বেলেগৰ ফোন।

কমল ঃ হ'ব দে মিছা মাতিব নালাগে।
(তেনেতে আধা পাগল, আচহুৱা প্রকতিৰ সপোন ৰাস্তাৰে আহি থাকে।)

কমল ঃ ঐ এইটো সপোন নহয় নে?

ৰমেন ঃ অ'তো। সপোনেই হয়।

কমল ঃ সপোন, অ' সপোন।

ৰমেন ঃ সপোন।
(ঘৰি সিহঁতৰ সন্মখলৈ আহে।)

সপোন ঃ কাক মাতিছে?

কমল ঃ তোকেইতো মাতিছো।

সপোন ঃ মোৰ নাম সপোন নেকি? আপোনালোকে কেনেকৈ জানিলে? মইতো নিজেই নাজানো যে মোৰ নাম সপোন। হা হা— না নহয় মোৰ নাম সপোন হ'ব নোৱৰে। মই সপোন নহয়। ..... সত্যমেৱ জয়তে... সত্যৰ জয় হ'ব....।
(গুচি যায়।)

কমল ঃ ঐ ইয়াৰ অৱস্থা এনে কেনেকৈ হ'ল অ' ইতো আগতে এনেকৱা নাছিল।

ৰমেন ঃ অ'তো।

মোহন ঃ শুনিছো ই মিছা বদনামী হৈ এনেকৱা হ'ল।

ৰমেন ঃ এহ কেৱল বদনামী হ'লেই এনেকৱা হ'বনে? কিবা বেলেগ কথাও আছে নিশ্চয়।

কমল ঃ ৰ, সৌটো বিনয় আহিছে। তাকে সোধো। (বিনয় আহে) অ' বিনয়, অলপ আগতে সপোনক দেখিছিলো। তাৰ কেনেকৈ এইটো অৱস্থা হ'ল অ'?

ৰমেন ঃ কিয়, সিতো আগতে এনেকৱা নাছিল।

ৰমেন ঃ সি বোলে কিবা বদনামী হৈছিল।

বিনয় ঃ বদনামী নহয়, পৰিস্থিতিৰ নিষ্ঠৰতা। ত সপোনদা আগতে এনেকৱা নাছিল। তহঁতৰ নিচিনা, তহঁতৰ মাজৰে এজন আছিল। সঁচা অর্থত এজন ভাল মানহ আছিল, যি সকলোকে আপোন কৰি ল'ব পাৰিছিল।

কমল ঃ তেনেহ'লে সি এনেকৱা কেনেকৈ হ'ল?

বিনয় ঃ এৰোৰ বহুত কথা। B.Com. পাছ কৰাৰ পিছত এবছৰীয়া Diploma Training এটাৰৰ কাৰণে দিল্লীলৈ গৈছিল। যোৱ বছৰৰ কথা। সেই দিনা স Training শেষ কৰি ঘৰলৈ অহাৰ কথা। ঘৰৰ সকলোৱে সেইদিনা সপোনদা অহালৈ অধীৰ আগ্রহেৰে বাট চাই আছিল....।

দৃশ্য - ২
(অতীতৰ দৃশ্য)

(ঘৰত সপোনক আদৰাৰ প্রস্তুতি চলিছে। পৰমাৰ ঘৰৰ দশ্য, বিনয় ককাইদেৱে ঘৰটো পৰিষ্কাৰ কৰি আছে আৰু এটা চকত পিংকী খোঁ আছে।)

পিংকী ঃ বিনয় ককাইদেউ, সপোন খৰা কেতি আহিব?

বিনয় ঃ আহিব অ', আহিব।

পিংকী ঃ কিন্তু কেকিয়া?

বিনয় ঃ যেতিয়া সপোন অহা ৰেল গাড়ীখন সাক্ষাত আহি ষ্টেচনত উপস্থিত হ'ব তাৰ অল' পিছতে সাপোন আহি ঘৰ পাবহি।

পিংকী ঃ তমি কি কৈছা এইবোৰ। মই একো বজা নাই।

বিনয় ঃ ধেৎ আকৰীজনী। এনেকৱা আকল হৈছে যেন তাইলৈ সপোনে সোণৰ পতলাহে লৈ আহিব।

পিংকী ঃ আনিবতো... সোণৰ নহ'লে কি হ' সপোন খৰাই কৈছিলে, মই যদি পৰীক্ষাত প্রথম হৈ পাছ কৰো, তেতিয়া হ'লে মোলে' পতলা, চকলেট...

বিনয় ঃ অ'... কথা মানে সেইটো। তই মানে চ ফিটিং কৰিয়েই থৈছ।
(বিমলে প্রস্তুত হৈ অফিচলৈ যাবলৈ ওলাই

আহে।)

বিমল ঃ ককাইদেউ, এই আমাৰ সপোন কেতিয়া আহি পাব অ'?

(নেপথ্যত গাড়ী ৰখোৱা শব্দ হয়, সপোন আৰু জীৱন ঘৰলৈ সোমাই আহে।)

বিনয় ঃ কেতিয়া মানে বোপা... এইয়া পালেহিয়েই।

(সপোন আৰু জীৱন দয়ো কান্ধত ধ সোমাই আহে। দয়োৰে হাতত দটা ডাঙৰ বেগ)

পিংকী ঃ সপোন আহি ে সপোন আহিলে।

(দৌৰি গৈ সাৱটি ধৰে।)

বিমল ঃ সপোন আহিলি?

সপোন ঃ অ' দাদা।

বিমল ঃ ভালে ভ পালিহি?

সপোন ঃ অ' তই ভালে আছ?

বিমল ঃ আছো দে।

সপোন ঃ আৰু আমাৰ বিনয় ককাইদেউ (ধেমালিৰ সৰত কয়)

বিয়ন ঃ তই ভালে আছ যেতিয়া মোৰো ভালেই দে।

(দেউতা সোমাই আহে।)

দেউতা ঃ সপোন আহিলি?

সপোন ঃ দেউতা (গৈ সেৱা কৰে)

দেউতা ঃ হ'ব সপোন।

পিংকী ঃ খৰা খৰা... মোলে' কি আনিছা?

সপোন ঃ অ'... কিবা আনিব দিছিলি বলি পাহ থাকিলো নহয়।

(পিংকী অভিমানেৰে এচকত গৈ ঠিয় হয়। সপোনে বেগৰ পৰা বস্তুবোৰ উলি সকলোকে দিব ধৰে।)

সপোন ঃ দেউতা এইয়া ল'বা, তোমাৰ কাৰণে আনিছো।

দেউতা ঃ অ', ধতিচোন... এ তইনো এইবোৰ কি আনিব লাগে?

সপোন ঃ মৰমতে আনিছো।

দেউতা ঃ হা-হা-হা। অ' তহঁতে .....

সপোন ঃ আৰু ককাইদেউ, তোমাৰ কাৰণেও মই বস্তু এটা আনিছো।

বিনয় ঃ কি?

সপোন ঃ তোমাৰ হেৰোৱা যৌৱন ঘৰাই পোৱা ঔষধ।

বিনয় ঃ কি?

সপোন ঃ এয়া, চলি লগোৱা ৰং আৰু ম লগোৱা ক্ৰীম।

বিনয় ঃ অ' হা-হা-হা।

দেউতা ঃ অ' তহঁ এইবোৰ এতিয়া বন্ধ ক সপোন তই গৈ গা পা ধ অলপ জিৰণি ল। বিনয়, তই তাক পানী যোগাৰ কৰি দে।

বিনয় ঃ হ'ব দেউতা।

(দেউতা ভিতৰলৈ প্ৰস্থান কৰে।)

সপোন ঃ আৰু এইয়া পিংকীৰ কাৰণে (পতলা আৰু উপহাৰৰ টোপোলা আগবঢাই দিয়ে।)

পিংকী ঃ এয়াহে আমাৰ সপোন খৰা। (পিংকীয়ে চকত গৈ উপহাৰবোৰ খলি চাব ধৰে।)

জীৱন ঃ বাকী মানে মইহে ৰ'লো।

সপোন ঃ (বিনয়ৰ ফালে ইংগিত দি) অ' তই কিবা সৰু ল'ৰা নেকি? তেতিয়াহ'লে তোকো দি লাগিব পিংকীৰ দৰে।

জীৱন ঃ মোক এনেও নালাগে।

সপোন ঃ এয়া ল। (এটা কাপোৰৰ টোপোলা আগবঢাই দিয়ে) আৰে, মই তোৰ কাৰণে একো নানিম? কেনেকৈ ভাবিলি? আৰে তোৰ কাৰণেতো জানো হাজিৰ।

জৰি ঃ (সোমাই আহে) পিংকী, ধেমালি শেষ হ'ব হোৱাই নাই নেকি? হ'মৰ্ৰক কৰিব আছেনে?

সপোন ঃ নবৌ, কেনে আছা?

জৰি ঃ কোন— মই? মোৰ ভালেই।

সপোন ঃ এয়া লোৱা।

জৰি ঃ কি?

সপোন ঃ শাৰী।

জৰি ঃ এনেকৰা শাৰী মাহঁতৰ ঘৰৰ কাম ব বাইজনীয়েও নিপিন্ধে আৰু উপহাৰ দি মোৰ মন ভলোৱাৰ চেষ্টা কৰি লাভ নাই।

(জৰি পিংকীক লৈ ভিতৰলৈ গুচি যায়।)

জীৱন ঃ সপোন... নবৌৰ কথাবোৰ তই নাৰাখিবি। তই জানই চোন নবৌ কেনেকৰা।

সপোন ঃ ধেৎ, কি যে কৰ? বা দে। ব'ল এতি ভিতৰলৈ ব'ল।

(জীৱন আৰু সপোন ভিতৰলৈ সোমা যায়।)

দৃশ্য - ৩

কলেজ চ'ক এটাত মেক আৰু কে. কে. কে. ঠিয় হৈ থাকে। ৰাস্তাৰে কলেজৰ ল'ৰা-ছোৱালীবোৰ অহা-যোৱা কৰি থাকে।

মেক ঃ বচ্ আজি নাহিবই নেকি?

কে.কে.কে. ঃ চপ্ থাক। যি টি বকি নাথাক। ঐ কেইট বাজিল?

মেক ঃ বচ্ ৯-৩০

কে.কে.কে. ঃ এতিয়াও পাঁচ মিনিট টাইম আছে। পাঁ মিনিটৰ ভিতৰত স্বপ্নালী আহিবই।

মেক ঃ আপনি জানো স্বপ্নালীক মনৰ কথা ক'বলৈ সাহস হ'ব?

কে.কে.কে. ঃ ঐ চপ্ থাক। বচৰ লগত কেনেকৈ কথা ক'ব লাগে নাজান নেকি? আজি মই মনৰ সকলো কথা স্বপ্নালীক কৈ পেলাম আৰু তাইক আপোন কৰি পেলাম।

মেক ঃ বচ আহিছে আহিছে।

কে.কে.কে. ঃ ঐ তই এতিয়া যা। পিছত আহিবি।

(স্বপ্নালী প্ৰৱেশ কৰে)

কে.কে.কে. ঃ ৰ'বা স্বপ্নালী, অলপ ৰ'বা। মোৰ তোমাৰ লগত অলপ কথা আছে।

স্বপ্নালী ঃ মোৰ পলম হৈছে।

কে.কে.কে. ঃ বজিছো স্বপ্নালী। কিন্তু আজি ে তোমাক এটা ডাঙৰ কথা ক'বলৈ আছে।

স্বপ্নালী ঃ ক'ব আছে? সোনকালে কওক। নহ'লে মই যাওঁ।

কে.কে.কে. ঃ কথাটো মানে...? মই তোমাক ভাল পাওঁ।

স্বপ্নালী ঃ কি? আপোনাৰ সাহস কেনেকৈ হ'ল মোক এইযাৰ কথা ক'বলৈ?

কে.কে.কে. ঃ ভাল পাওঁ বলি ক'বলৈ সাহস কিয় লাগে? হা-হা-হা।

স্বপ্নালী ঃ আপনি ক'লে, মই শুনিলো। এতিয়া মই কওঁ শুনক। আপনি যদি ইয়াতকৈ আৰু বেছি আগবাঢে, আপোনাৰ কিন্তু অৱস্থা কি হয় ঠিক নাই।

কে.কে.কে. ঃ ৰ'বা স্বপ্নালী, ক'লৈ যোৱা? মই তোমাক যাব কোৱা নাই, আৰু তমি ক'লেই তোমাৰ পৰা আঁতৰিও নাযাওঁ। তোমাক মই ভাল পাওঁ আৰু তমি আপত্তি কৰিলেও মই মোৰ ভালপোৱা সাৰ্ব্যস্ত কৰিমেই।

(স্বপ্নালী গুচি যাব খোজে, কে.কে.কে. হাতত ধৰে।

কে.কে.কে. ঃ ক'লৈ যোৱা স্বপ্নালী? মোৰ প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ তমি ক'লেকো যাব নোৱাৰা।

স্বপ্নালী ঃ ঐ এৰা।

কে.কে.কে. ঃ তমি যাব নোৱাৰা। কোৱা... মোক ভাল পাওঁ বলি কোৱা।

(দয়োৰে টনা-আজোৰা লাগে, স্বপ্নালীয়ে এটা প্ৰকাণ্ড চৰ সোধাই গুচি যায়।)

(মেক সোমাই আহে।)

মেক ঃ বচ, মই কোৱা নাছিলো?

কে.কে.কে. ঃ চপ... (মেকক ওলোটাই এটা প্রকাণ্ড চৰ সোধায়।)
স্বপ্নালী, তমি এই কে.কে.কে., কষ্ণকান্ত কাকতিক চিনি পোৱা নাই কে.কে.কে.এ যি বিচাৰে নিজৰ কৰিমেই। তোমাক ভাল পোৱা এই কষ্ণ কাকতিক তমি ভালকৈ মনত ৰাখি স্বপ্নালী। তোমাক যদি নিজৰ কৰি ল'ব নোৱাৰো তোমাক আনৰো হ'ব নিদিওঁ। ...ঐ ব'ল...
(মেক আৰু কে.কে.কে. দয়ো প্রস্থ কৰে।)

দৃশ্য - ৪

পৰমাৰ ঘৰৰ ড্রয়িং ৰুমৰ দশ্য, বিমল অফিচলৈ যাবলৈ সাজ, জৰিয়ে টি.ভি. চাই থাকে।

বিমল ঃ জৰি, এ আজি তমি দপৰীয়া কলদিল ভাজিখন বনাব নাপাহৰিবা দেই। সপোনে কলদিল খাই খব ভাল পায়।

জৰি ঃ সপোন, সপোন, সপোন যোৱা চাৰি-পাঁচটা দিনে এই একেটা নামকে শুনি শুনি মোৰ কাণ ঘোলা হৈ গৈছে।

বিমল ঃ আৰে ইমান দিনৰ মৰত আমাৰ সপোন ঘৰলৈ উভতি আহিছে, গতিকে তাৰ কথা সততে আলোচনা হোৱাটো স্বাভাৱিক।

জৰি ঃ হ'লেও এটা সীমা আছে। তেজৰ সম্পর্ক নথকা ল'ৰা এটাক এইখন ঘৰৰ মানহে বকৰ মনি কৰি ল'ব, সেয়া মই সহ্য কৰিব নোৱাৰো।

বিমল ঃ কি ক'লা? তেজৰ সম্পর্ক, সপোনৰ লগত আমাৰ তেজৰ সম্পর্ক নাই সঁচা, কিন্তু সপোনৰ প্রতি থকা আমাৰ ভালপোৱা, সপোনে এইখন ঘৰৰ মানহৰ কাৰণে কৰা ত্যাগ আৰু সপোনৰ প্রতি থকা আমাৰ বিশ্বাসে আমাৰ মাজত অটট সম্পর্কৰ সষ্টি কৰিছে।

জৰি ঃ আৰু এই বিশ্বাসৰ সযোগ লৈ এদিন যেতিয়া সপোনে এইখন ঘৰৰ সকলো সম্প আত্মসাৎ কৰিব তেতিয়াহে তোমালোকৰ চক মেল খাব।

বিমল ঃ এইবোৰ তমি কি কৈছা। সপোনে শুনিলে কি ভাবিব?

জৰি ঃ যি ভাবে ভাবক, কিন্তু পৰিয়ালৰ সদস্যবোৰে 'সপোনে অমক খাই ভাল পাই', 'সপোনে তমক কৰি ভাল পায়' —এনেদৰে দিনে-ৰাতিয়ে তাৰ ভালপোৱা, বেয়াপোৱাবোৰৰ লগত জডিত হৈ পৰাৰ কোনো দৰকাৰ নাই।
(দেউতাকৰ প্রৱেশ)

দেউতা ঃ তমি ভল কৈছা বোৱাৰী, স ভালপোৱা বেয়াপোৱাৰ লগত তোম কোনো সম্পর্ক নাথাকিব পাৰে, কিন্তু তাৰ ভালপোৱা বেয়াপোৱাৰ লগত এইখন ঘৰৰ ওতঃপ্রোত সম্পর্ক আছে আৰু তমি চাগে' পাহৰি গৈছা যে পৰিয়ালৰ প্রতিজন সদস্যৰ ভালপোৱা বেয়াপোৱাৰ হিচাপ ৰখা তোমাৰো দায়িত্ব।

জৰি ঃ মই মোৰ দায়িত্ব পাহৰা নাই দেউতা। কিন্তু দর্ভাগ্যবশতঃ আপোনালোকে বিচাৰ ধৰণে মই সপোনক এইখন ঘৰৰ সদস্য হিচাপে কেতিয়াও গ্রহণ কৰিব নোৱাৰো।
(জৰি খঙেৰে ওলাই যায়।)

বিমল ঃ জৰি, জৰি, শুনাচোন (পিছে পিছে ওলাই যাব খোজে)

দেউতা ঃ ক'লৈ যাওঁ শুন। তিৰোতাসেৱৰা হৈ পত্নীৰ কাণ্ড জ্ঞানহীন কথাবোৰ শুনি থকাতৈ প্রকত দায়িত্ব পালন কৰি পত্নীক সমা দিবলৈ শিক, নহ'লে এই ফিৰিঙতিয়ে এদিন গোটেই ঘৰখন জ্বলাই ছাই কৰিব।

(দেউতাকৰ প্ৰস্থান. মঞ্চত অকলে ৰৈ থকা বিমলে লাজ আৰু খণ্ডত ফাটি পৰে। দশ্যক জীৱন্ত কৰিবলৈ নেপথ্যত সংগীত বাজে।)

দৃশ্য - ৫

সপোন বিনয়ৰ লগত ৰাস্তাৰে গৈ থাকে. আনটো দিশৰ পৰা স্বপ্নালীৰ প্ৰৱেশ।

স্বপ্নালী ঃ (আচৰিত হৈ) সপোনদা তমি? কেতিয়া আহিলা।

সপোন ঃ অ' স্বপ্নালী. মই পৰহি পালোহি।

স্বপ্নালী ঃ বা কি আচৰিত কথা. তমি যোৱা পৰহিয়েই আহিছা আৰু মই এতিয়ালৈকে গমে নাপাওঁ।

বিনয় ঃ সপোন. তই আহি থাক. মই আগবাঢো।

সপোন ঃ নহয় অ' স্বপ্নালী. আহিবৰে পৰা ঘৰতে ব্যস্ত হৈ পৰিলো। কালি দেউতাক ডাক্তৰ ওচৰলৈ নিলো আৰু আজি মানে বজাৰলৈ ...

স্বপ্নালী ঃ হ'ব দিয়া. বাহানা বনাব নালাগে। ইমান কাম কৰিলা. অ'ত গ'লা ত'ত গ'লা কিন্তু মোলৈ এবাৰো মনত নপৰিল।

সপোন ঃ তেনেকৰা নহয় অ' স্বপ্নালী. তোমাক মই

স্বপ্নালী ঃ হ'ব হ'ব আৰু ক'ব নালাগে। এতি বজাৰলৈ যাবানে?

সপোন ঃ এৰা. অ' তোমালোকৰ ঘৰত আটাইতে কেনে আছে?

স্বপ্নালী ঃ ঘৰৰ খবৰ ইয়াত দিয়া নহ'ব। ঘৰৰ খবৰ লাগে যদি ঘৰলৈ ব'লা।

সপোন ঃ হা হা হা ঠিক আছে. আজি আবেলি লৈ যাম তোমাক বহুত কথা ক'বলৈ আছে।

দৃশ্য - ৬

সপোনে গীটাৰ বজায় থাকে। (জীৱনৰ প্ৰৱেশ)

জীৱন ঃ সপোন...

সপোন ঃ আৰে জীৱন তই কেতিয়া আহিলি? কিন্তু এনেকে ৰৈ আছা যে কি হ'ল?

জীৱন ঃ মানে সপোন?

সপোন ঃ মানে কি?

জীৱন ঃ মানে?

সপোন ঃ আৰে কি মানে মানে কৰি আছ ক'না .....

জীৱন ঃ মানে তোক কথা এটা ক'বলৈ আছে।

সপোন ঃ অ' বজিলো... কথাটো নিশ্চয় প্ৰেম লগত জড়িত?

জীৱন ঃ তই কেনেকৈ জানিলি?

সপোন ঃ আৰে ভাই মখ চাই গৰ্ভ চিনা মানহ. তাতে আকৌ তোৰ মখ। ঐ... ক ক'ত কি কৰি আহিছ. সোনকালে ক।

জীৱন ঃ মানে তাইক. মানে তাইক..

সপোন ঃ কথাটো ক'ব পৰা নাই এয়াইতো আৰ তোৰ এই কথাটো মই কৈ দিব লাগে?

জীৱন ঃ অ'... সেইটোৱে

সপোন ঃ হাৰামি. নহ'লে তই মোৰ ওচৰলৈ আহ নে? ঐ কি নাম. কোন?

জীৱন ঃ কাৰ?

সপোন ঃ বৰ্বক. তোৰ মেহববাৰ

জীৱন ঃ তাইৰ নাম

সপোন ঃ অ' কি?

জীৱন ঃ তাইৰ নাম স্বপ্নালী। তাইক মই বহু দিনৰ পৰাই ভাল পাওঁ মাত্ৰ ক'বই পৰা নাই। তই ভাই মোৰ কাৰণে তাইক কৈ দে না। কৈ দে না মোৰ ভয় লাগে। জানোচা তাই খং কৰে। সপোন সপোন (সপোনক হাতত ধৰি জোকাৰি দিয়ে. সপোনৰ সম্বিৎ ঘৰি আহে।)

(স্বপ্নালীৰ প্ৰৱেশ)

স্বপ্নালী ঃ সপোনদা. তমি কি মানহ হে? তাহানিতেই আমাৰ ঘৰলৈ লৈ যাম বলি কৈ এতিয়ালৈ ইয়াতে আছা। ৰৈ ৰৈ মই নিজেই গুৰ্ আহিলো।

সপোন ঃ ভালে কৰিলা। তোমাৰ লগত এটা ডাঙৰ কথা আছে।

স্বপ্নালী ঃ কি কথা

সপোন ঃ ৰ'বা ক'ম, কিন্তু তাৰ আগতে বাহিৰলৈ যাওঁ ব'লা।

(স্বপ্নালী আৰু জীৱন আগে আগবাঢ়ে, পিছে পিছে সপোন)

দৃশ্য - ৭

ৰাস্তাৰ কাষৰ দৃশ্য, স্বপ্নালী, জীৱন আৰু সপোন ঠিয় হৈ থাকে।

জীৱন ঃ এইবোৰ তমি কি কৈছা সপোনদা?

সপোন ঃ অ' মই ঠিকেই কৈছো স্বপ্নালী। তমি ইয়াৰ মনটো বজিবলৈ চেষ্টা কৰা। ই তোমাক বহুত দিনৰ পৰাই ভাল পায়।

স্বপ্নালী ঃ কিন্তু তমি...

সপোন ঃ কোনো কিন্তু নাই স্বপ্নালী, তমি ইয়াক নিৰাশ নকৰিবা স্বপ্নালী। তোমাক ই পাগলৰ দৰে ভাল পায়। বহুত সখত ৰাখিব তোমাক।

স্বপ্নালী ঃ আৰু মই (কান্দোনৰ সৰত)

সপোন ঃ তমিও বহুত সখত থাকিবা। ইয়াৰ সপোনবোৰ তমি ভাঙি নেপেলাবা স্বপ্নালী।

স্বপ্নালী ঃ আৰু মোৰ সপোন?

সপোন ঃ এবিোৰ বাদ দিয়া স্বপ্নালী। ঐ জীৱন তই মনে মনে আছা যে? ইয়ালৈ আহ। (জীৱন আগুৱাই আহে) অ' তহঁতে কথা পাত, মোৰ কাম এটা আছে, আহিছো। (সপোন ওলাই যায়।)

জীৱন ঃ সপোনে ঠিকেই কৈছে স্বপ্নালী... কিন্তু ক'বলৈ সাহস গোটাব পৰা নাছিলো। এই সপোনেই সেই কাৰণে আজি....। মই তোমাক লৈ বহুত সপোন দেখিছো স্বপ্নালী।

দৃশ্য - ৮

পৰমাৰ ড্ৰয়িং ৰুম। বিমল, জীৱন, বিনয় আটাইয়ে মনে মনে বহি থাকে। মঞ্চৰ দয়োকাষে পৰমা (দেউতা) আৰু জৰি থিয় হৈ থাকে।

পৰমা ঃ এয়া তমি কি কৈছা বোৱাৰী?

জৰি ঃ আপনি কাণেৰে যি শুনিছে মইও সম জ্ঞানেৰে তাকেই কৈছো।

পৰমা ঃ নহয় বোৱাৰী, মই নিজৰ কাণৰ ওপৰত বিশ্বাস হেৰুৱাইছো। কেতিয়াও নহয়, এয়া হ নোৱাৰে।

জৰি ঃ অবিশ্বাস্য যেন লাগিলেও, এয়াই স দেউতা। মই আনক কাণ বাগৰা কথা শুনি কোৱা নাই। সাক্ষী আৰু প্ৰমাণৰ ওপৰত ভিত্তি কৰিহে কৈছো।

বিমল ঃ তোমাৰ ভল হৈছে জৰি। আমাৰ সপোনে অন্ততঃ এনেকৰা কাম কৰিব নোৱাৰে। মই বিশ্বাস নকৰো।

জৰি ঃ তমি মনে মনে থাকা এনেও তমি সপোনক কিমান ভালকৈ চিনিপোৱা সেইটো ভালকৈ জানো।

জীৱন ঃ নহয় নবৌ, তমি সপোনক যিমান ভালদৰেই নাজানা কিয় তাতকৈ বহুগুণে বেছি ভালকৈ মই সপোনক চিনি পাওঁ। সি এনে কেতিয়াও কৰিব নোৱাৰে।

বিনয় ঃ দেউতা, মই কিন্তু একো ধৰিব পৰা নাই।

পৰমা ঃ অ' বিনয়... মইও একো ধৰিব পৰা নাই।

জৰি ঃ মই জানিছিলোৱে যে মে আপোনালোকে বিশ্বাস নকৰিবই, সেয়েহে সকলো প্ৰমাণ মই লগত ৰাখিছো। (জৰিয়ে অলপ আঁতৰি গৈ ফোনত কথা পাতে।) অ' আহি যোৱা (জৰিয়ে ভিতৰলৈ সপোনৰ বেগটো লৈ আহে আৰু খলিবলৈ ধৰে।)

এতিয়াই সকলো গম পাই যাব। এয়া চাওক, এয়াই আপোনালোকৰ সপোনৰ প্ৰকত চৰিত্ৰ (বগা ৰঙৰ পেকেট কেইটামান আগবঢাই দিয়ে) আপোনালোকৰ আদৰৰ পতলা সপোনে

ড্ৰাগচৰ ব্যৱসায় কৰে।

পৰমা ঃ এইবোৰ তমি কি কৈছা? কি দেখৱাই বোৱাৰী?

বিমল ঃ এইবোৰতো আমাৰ অজ্ঞাতে আন কোনোবাই বেগত ভৰাই থ'ব পাৰে।

জীৱন ঃ অ' তই ঠিক কৈছ দাদা। এয়া যেন সপোনৰ বিৰুদ্ধে আনৰ ষড়যন্ত্ৰ।

পৰমা ঃ নোৱাৰি বোৱাৰী, নোৱাৰো মই বিশ্বাস কৰিব নোৱাৰো।

জৰি ঃ পাৰিব লাগিব। এয়া আপোনালোকৰ ভ্ৰম। এয়া হ'ল সপোনে আপোনালোকৰ চকত আঁৰি দিয়া ভৱা বিশ্বাসৰ চাদৰ।

জীৱন ঃ এই প্ৰমাণ সপোনক দোষী সাব্যস্ত কৰিবলৈ পৰ্যাপ্ত নহয়।

কে.কে.কে.ঃ নিশ্চয়, এই প্ৰমাণ পৰ্যাপ্ত নহয়, কিন্তু মোৰ লগত এনেকৱা প্ৰমাণ আছে। যি চোৱাৰ পিছত সপোনক দোষী সাজিবলৈ বাধ্য হ'ব।

বিনয় ঃ তোমাৰ লগত আকৌ কি আছে?

কে.কে.কে.ঃ এয়া চাওক। (পেপাৰ এখন উলিয়াই) ড্ৰাগচৰ ব্যৱসায় কৰি ধৰা পৰি আপোনালো সপোন দিল্লীত প্ৰকাশিত পেপাৰৰ প্ৰথ পষ্ঠাত।

জৰি ঃ অকল এয়াই নহয়। আপোনালোকৰ সপোনে নাৰী ব্যৱসায়ৰ লগতো জড়িত।

পৰমা ঃ হে ভগৱান, এইবোৰ কি শুনিছো।

কে.কে.কে.ঃ ঠিকেই শুনিছে। দিল্লীৰ ব্যক্তিগত হোটেলখনত নাৰী ব্যৱসায় চলাই থাকোঁতে, পলিচে তাক হাতে-লোটে ধৰা পেলায়। এয়া চাওক ফটো। (ফটোবোৰ দেখৱাই। সকলো বেদনাত ভাগি পৰে। সকলো চপ।)

(সপোন সোমাই আহে।)

সপোন ঃ ও বাপৰে, বজাৰত কি জই-ছাই দাম। তাতে আৰু দেউতাৰ ঔষধ বিচাৰোতে বহুত সময় গ'ল। বিনয় ককাইদেউ, পানী এগিল আনচোন।

(বিনয়ে একো নামাতে)

সপোন ঃ বিনয় ককাইদেউ, একো নক'ৱ কিয়? আৰে কি হ'ল তহঁতৰ, কোনেও একো নক'ৱ কিয়? আৰে এইটোচোন মোৰ বেগ, এয়া কি?

জীৱন ঃ সেয়া তোৰ ব্যৱসায়ত প্ৰয়োজনীয় কেঁ সামগ্ৰী।

সপোন ঃ এয়া কি কৈছা?

পৰমা ঃ আমি গমেই পোৱা নাছিলো, আমি যে এডাল বিষাক্ত ফেটি সাপ পহি আছিলো।

সপোন ঃ দেউতা, এয়া কি কৈছা তমি। এয়া মোৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰ।

জৰি ঃ এইবোৰ ষড়যন্ত্ৰ নে কি ইতিমধ্যে প্ৰমাণিত হৈছে।

জীৱন ঃ তইযে আমাৰ বকত কামোৰ মাৰিবি ভাবিবই পৰা নাছিলো।

সপোন ঃ তই এনেকৈ ক'ব পাৰিলি?

জৰি ঃ এটা কথা, এই লম্পটটো যেতিয়ালৈ এইখন ঘৰত থাকিব মই অন্ততঃ ইয়াত থাকিব নোৱাৰো।

সপোন ঃ নালাগে নবৌ, তমি ক'লৈকো যাব নালাগে, মইয়ে গুচি যাম। মানহৰ মানতেই থাকি নোৱাৰিলো। যেতিয়া ঘৰখনত থাকি কি লাভ।

(সপোন যাবলৈ ওলায়।)

দৃশ্য - ৯

ৰাস্তাৰ কাষৰ দৃশ্য, এটা সৰু বেগ লৈ সপোন আহি থাকে। আনফালৰ পৰা কে.কে.কে. আহি থাকে, লগত কেইটামান বন্ধ। হাতত অস্ত্ৰ থাকে।

কে.কে.কে. ঃ কি সপোন, ক'লৈ ওলালি?

সপোন ঃ প্ৰয়োজনীয় মানহৰ লগত মই কথা নাপতো।

কে.কে.কে. ঃ অ' তোলনীয়া ঘৰৰ পৰাবাহিৰকৰিদিয়া বাবে মই অপ্ৰয়োজনীয় মানহ।

সপোন ঃ মই বজিছো মোৰ বিৰুদ্ধে কোনে খে খেলিছে আৰু সযোগ পালে ম সিহঁতক...

কে.কে.কে. ঃ না না না। আমাৰ বিৰুদ্ধে তই কিবা কৰিলেই. তোৰ দৰে তোৰ প্ৰেম স্বপ্নালীকো মোহাৰি পেলাম।

সপোন ঃ ঐ... (চিঞৰি উঠে।)

কে.কে.কে. ঃ নিচি এঞৰিবি। স্বপ্নালী এতিয়া ে স্বপ্নালীক মই লিৰিকি বিদাৰি...

সপোন ঃ ঐ (গৈ গলত চেপি ধৰে।)

(সপোনৰ লগত কাজিয়া হয়। কে.কে.কে.ৰ বন্ধুবোৰে সপোনক মৰত বেয়াকৈ আঘাত কৰি ৰাস্তাত পেলাই থৈ যায়।)

দৃশ্য - ১০

বৰ্তমানৰ দশ্য. দোকানৰ সন্মখত কেৰম খেলি থকা ল'ৰা কেইটাৰ আগত বিনয়ে অতীতৰ কথাবোৰ কৈ থাকে।)

ৰণ ঃ আৰু তাৰ পিছত...?

বিনয় ঃ তাৰ পিছত কে.কে.কে.ৰ গুণ্ডা বাহিনীৰ হাতত বেয়াকৈ আহত সপোনক চিকিৎসালয়লৈ লৈ যাওঁ। তাত সপোন কিছ সস্থ হৈ উঠিল সঁচা. কিন্তু চিকিৎসা কালত ধৰা পৰিল যে সপোন দো�ৰাৰোগ্য ব্ৰেইন টিউমাৰত আক্ৰান্ত। তেতিয়াৰে পৰা সপোনৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে ' কৰিছে। কিন্তু মই সপোনৰ ধবংসকাৰীসকলক শাস্তি নিদি নাথাকো। ইতিমধ্যে মই চিকাৰ কৰিবৰ কাৰণে সকলো আঁচনি তৈয়াৰ কৰিছো। সিহঁতক মই সদাই নেৰো।

দৃশ্য - ১১

মদৰ ঘাটিত বহি কে.কে.কে. বন্ধসকলৰ লগত মদ খাই থাকে. আটাইকেইটা প্ৰায় নিচাত। এনেতে বিনয়ৰ প্ৰৱেশ।

বিনয় ঃ বোপা. ইয়াত আছা?

কে.কে.কে. ঃ কোন? অ' তমি তমি ইয়াত কেনেকৈ?

বিনয় ঃ কেনেকৈ মানে. বোৱাৰীয়ে পঠিয়াই তোমাৰ ওচৰলৈ।

কে.কে.কে. ঃ অ' তেওঁৰ এতিয়াহে মনত পৰিছে নেকি? যোৱা ছয় মাহ ধৰি মই তেওঁক লগ কৰিব খজিও লগ কৰিব পৰা নাই। তেওঁলোকৰ ঘৰলৈ যাবও মানা কৰিছে।

বিনয় ঃ এতিয়া পিছে অনমতি দিছে। তোমাৰ লগত বোলে কিবা আলোচনা কৰিব লগা আছে। গতিকে কাইলৈ দিনৰ এঘাৰমান বজাত ঘৰৰ আন মানহবোৰ নথকা সময়ত তোমাক ঘৰলৈ মাতিছে।

কে.কে.কে. ঃ সঁচা? এ কিন্তু তেওঁতো মোক নিজে ফোন কৰিব পাৰিলেহেঁতেন।

বিনয় ঃ এ তমি বজা নাই বোপা. দিনটো ঘৰখনত বিমল. জীৱন নতবা দেউতা কোনোবা এটা থাকেই. গতিকে তেনেস্থলত বোৱাৰীয়ে তোমাৰ লগত ফোনত কথা পতাটো অত্যন্ত বিপজ্জনক। সেই কাৰণে মাতিবলৈ মোক পিঠয়াইছে। অ' তমি কিন্তু ওলোটাই ফোন নকৰিবা. কাইলৈ চিধা চিধি ঘৰলৈ যাবা দেই।



দৃশ্য - ১২

ঘৰৰ ভিতৰত চোফাত বহি টেবলত ভৰি তলি জৰিয়ে নেইল পলিচ লগাই থাকে. বিনয়ে ঘৰৰ আচবাববোৰ চাফ কৰি থাকে।

বিনয় ঃ বোৱাৰী. তমি বেয়া নোপোৱা যদি ভৰি দখন অলপ আঁতৰাই দিলে মই টেবলখন চাফ কৰিব পাৰো।

জৰি ঃ হ'ব হ'ব এইখন এতিয়া চাফ নকৰিলেও হ'ব।

বিনয় ঃ নহয় মানে. এইখিনি কাম একেলগে আজৰি হ'লে মই আনবোৰ কাযত হাত দিব পাৰে।

জৰি ঃ হ'ব থোক বজাব নালাগে. লগুৱা যেতিয়া লগুৱাৰ দৰে থাকিবি।

(এনেতে কলিং বেল বাজে) এতিয়া যা দর্জা খোল। (বিনয়ে গৈ দর্জা খোলে) কে.কে.কে. সোমাই আহে। জৰি অপ্রস্তুত হৈ) তমি ? অ' তমি ভিতৰলৈ যোৱাগৈ (বিনয়ক উদ্দেশ্যি)। (বিনয় ভিতৰলৈ যায়।) তমি ইয়ালৈ কিয় আহিলা ?

কে.কে.কে. ঃ আহিলো মানে ? আপনিয়েচোন ম পঠিয়াইছে।

জৰি ঃ হ'ব, মোক লগ ধৰিবলৈ বাহানা ব নালাগে।

কে.কে.কে. ঃ বাহানা বনোৱা নাই, নিজৰ কাম হৈ যোৱাৰ পিছত আপনি মোক এৰাই চলিছে, গতিকে লগ ধৰিবলৈ ঘৰলৈ অহাৰ বাহিৰে মো গত্যন্তৰ নাছিল।

জৰি ঃ এই এৰা, তমি ইয়ালৈ অহাটো ঘৰৰ মানহে গম পালে সমস্যাৰ সষ্টি হ'ব।

কে.কে.কে. ঃ (খঙেৰে) সমস্যা ? আপনি নিজৰ সমস্যাৰ কথাটো চিন্তা কৰিছে, কিন্তু মোৰ সমস্যা যে অকণো সমাধান হোৱা নাই তালৈ কাণসাৰ নাই।

জৰি ঃ তমি কি ক'ব খজিছা, মই বজা নাই।

কে.কে.কে. ঃ এতিয়া নবজিবাতো, নিজৰ কাম হৈ গ'ল যেতিয়া নবজাটো স্বাভাবিক। আপনি সকলো পাহৰিলে। আপনি আমাৰ মাজত হোৱ চক্তিৰ কথা পাহৰিলে, যি চক্তি অনস সপোনক আপোনাৰ ঘৰৰ পৰা খেদি পঠিয়াব পাৰিলে আপনি স্বপ্নালীক মোৰ কৰি দিব বলি কৈছিল।

জৰি ঃ মই তেনেকৈ কেতিয়াও কোৱা নাছিলো। মই মাথোঁ স্বপ্নালী আৰু তোমাৰ মাজত থকা সপোন নামৰ কাঁইটডাল আঁতৰাই দিম বলিহে কৈছিলো, যি ইতিমধ্যে হৈছে। তাৰ পিছত তমি স্বপ্নালীৰ হৃদয়ত বাহ সাজিব পাৰা বা নোৱাৰা সেইটো তোমাৰ কথা।

কে.কে.কে. ঃ মই ঠিকেই বজিছিলো, ককৰৰ নেজ চৈধ্য বছৰ গাতত পতি থ'লেও চিধা নহয়।

জৰি ঃ মনে মনে থাকা, তোমাৰ ইমান সাহস !

কে.কে.কে. ঃ সাহস, আপনি মোক চিনি পোৱা নাই আপনি যদি মোৰ কাম নকৰে, সপোন বিপৰীতে কৰা ষডযন্ত্রৰ কথা মই ফাদিল কৰিম। মই আটাইকে ক'ম যে সপোন দিল্লীত থকা হোটেলখনত পলিচৰ ৰেইড পৰিছিল সঁচা কিন্তু সপোন তেতিয়া কোনো নাৰীৰ লগত দষ্কার্যত লিপ্ত নাছিল। আপনি স্বার্থ পৰণ কৰিবলৈ ব্যক্তিগত বাতৰি কাকতত ছপাই আনি পৰিয়ালৰ আন মানহক বিভ্রান্ত কৰিছিল। আৰু সপোন কেতিয়াও ড্রাগচৰ ব্যৱসায়ত জডিত নাছিল তাৰ বেগত পোৱা ড্রাগচ্ব টোপোলা মইয়ে আপোনাক যোগান ধৰিছিলো। মাত্র আপনিহে সম্পত্তিৰ লোভত সপোনক এইখন ঘৰৰ পৰা চক্রান্ত ক আঁতৰাই পঠালে।

জৰি ঃ মনে মনে থাক। ঘৰৰ মানহবোৰ আহিব লাগিলে...

পৰমা ঃ ঘৰৰ মানহবোৰ আহিল বোৱাৰী। তোমাৰ দৰে মানহ এগৰাকীক বোৱাৰী হিচাপে পাই মোৰ ঘণা উপজিছে।

জৰি ঃ মোক আপনি ভল বজিছে দেউতা।

বিমল ঃ (মঞ্চত প্রৱেশ) তোমাৰ লাজ লগা নাই এতিয়াও তমি এইবোৰ কৈ আছা। তমি যে আমাৰ সকলোকে বিভ্রান্ত কৰি সপোনৰ এইখন ঘৰৰ পৰা উলিয়াই দিলা সেই কথা আমি বজিবলৈ বাকী নাই। কিমান সপোন লৈ দেউতাই তোমাক এইখন ঘৰৰ বোৱাৰী কৰি আনিছিল তাৰ প্রতিদান তমি দিলা....।

জৰি ঃ মোক ক্ষমা কৰি দিয়া বিমল। মোৰ ভল হৈ গ'ল।

(বিনয় ভিতৰৰ পৰা ওলাই আহে)

জীৱন ঃ (মঞ্চত প্ৰৱেশ) যি ভল কৰিলা তাৰ বাবে তমি ক্ষমা খজি লাভ নাই নবৌ। তমি আমাৰ ঘৰখন ধ্বংস কৰি পেলালা। আমাৰ সপোনক পেলনীয়া বস্তুৰ দৰে ঘৰৰ বাহিৰ কৰি দিলা। নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে আনৰ ক্ষতি কৰিব পৰা এটা মস্ত স্বাৰ্থপৰ আৰু তই (কে.কে.কে. খেতি যায়. ঘোচা মাৰে. সি দৌৰি পলাই যায়. এনেতে ফোন বাজি উঠে. বিনয়ে যে ধৰে।)

বিনয় ঃ হেল্লো. কি?..... ক'ত. ৰ'বা মই গৈছো। (বিনয় অস্থিৰ হৈ পৰে. সকলো বিনয়ৈ চায়।)

পৰমা ঃ কি হ'ল বিনয়?

বিনয় ঃ সপোন বোপা প্ৰচণ্ড মৰৰ বিষত ৰাস্তাৰ কাষত পৰি কেঁকাই আছে। মই যাব লাগিব। (বিনয় ওলাই যাব খোজে।)

জীৱন ঃ ৰ'বা মইও গৈছো। (বিনয়ৰ পিছে পিছে জীৱনো ওলাই যায়।)

পৰমা ঃ তমি সপোনৰ জীৱনটো ধ্বংস কৰি পেলালা। সপোনৰ প্ৰতি কৰা অন্যায়ৰ বাবে অকে সপোনেহে তোমাক ক্ষমা কৰিব পাৰে (কথাষাৰ কৈ পৰমা ওলাই যায়।) আৰু এটা কথা কওঁ শুনা সপোনৰ লগত আমাৰ কোনো তেজৰ সম্পৰ্ক নাথাকিব পাৰে তোমাৰ কিন্তু আছে।

জৰি ঃ কি?

পৰমা ঃ অ'... তমি নাজানা যে পিংকীৰ জন্মৰ সময়ত তোমাক যেতিয়া তেজৰ প্ৰয়োজন হৈছিল. সপোনেই নিজৰ তেজ দি তোমাৰ প্ৰাণ ৰক্ষা কৰিছিল।

(কৈ দেউতা প্ৰস্থান কৰে. অলপ লাহে লাহে জৰিৰ চকুপানী ওলাবলৈ ধৰে।)

দৃশ্য - ১৩

পথৰ দাঁতিত পৰি সপোন ককবকাই থাকে. প্ৰচণ্ড মৰৰ বিষ. ৰাস্তাৰ দই চাৰিজন মানহে আবৰি থাকে। বিনয়. জীৱন আটাইয়ে সোমাই আহে।

বিনয় ঃ বোপা. কি হৈছে তোমাৰ?

জীৱন ঃ সপোন কি হৈছে তোৰ। এনেকৰাখন কিয় কৰিছ। (সপোন বিষত প্ৰায় অস্থিৰ)

সপোন ঃ কোন? কোন তহঁত? (মানহবোৰ চি পোৱাত সপোনৰ কষ্ট হয়।)

জীৱন ঃ মই জীৱন। তই এদিন নিজৰ জীৱনতকৈও ভালপোৱা জীৱন।

সপোন ঃ জীৱন. জীৱন. তই আহিছ? মই নিৰ্দোষী। মই বেয়া নহয়। (বিনয়ে সপোনক সাৱটি ধৰে।)

জীৱন ঃ মোক ক্ষমা কৰি দে সপোন. মোক ক্ষমা কৰি দে। তই প্ৰাণতকৈও ভালপোৱা জীৱ তোক চিনি নাপালেও। মোক ক্ষমা কৰিছে সপোন। মোক ক্ষমা কৰি দে তই।

বিমল ঃ (সোমাই আহে) মই ডাক্তৰক ফোন কৰিছো। এম্বলেঞ্চ আহি পাবহি এতিয়া। ত এতিয়াই সপোনক ডাক্তৰৰ ওচৰলৈ নি লাগিব।

সপোন ঃ ক'লৈকো গৈ লাভ নাই ককাই৫ নিয়তিয়ে গঢ়া চক্ৰবেহুত আজি সপোন বন্দী। এতিয়া .... এতিয়া মোৰ যাবৰ হ'ল। (বিমল সপোনৰ কাষত বহি পৰে)

বিমল ঃ (কান্দি কান্দি) আমি আটাইয়ে তোক শেষ কৰি পেলালো ও সপোন. শেষ পেলালো।

সপোন ঃ মোক তোমলোকে শেষ কৰা নাই. মোক শেষ কৰিছে মানহৰ ভিতৰত

অপ্রয়োজনীয় লোভ, মোহ বিশ্বাসহীনতাই।

দেউতা ঃ সপোন, মই পাপী ঔ মই পাপী। মই তোৰ দেউতাক দিয়া কথা ৰাখিব নোৱাৰিলো।

সপোন ঃ স্বপ্নালী চাগে' মোক আজিও বেয়া পা' থাকিলে মইযে তাইৰ জীৱনৰ কলংক।

জীৱন ঃ তই এইবোৰ কিয় কৈছ সপোন?
(স্বপ্নালী আৰু জৰি সোমাই আহে।)

স্বপ্নালী ঃ (কান্দি পৰে) মই তোমাক ভাল ৭
সপোনদা, মই তোমাক ভাল
.....

সপোন ঃ নাপায় নহয়। এয়া চোৱা, জীৱন তোমাৰ কাৰণে ৰৈ আছে। (স্বপ্নালীৰ হাতখন জীৱনৰ হাতত তলি দিয়ে।)

জৰি ঃ মোক ক্ষমা কৰি দিয়া সপোন। মই ডাঙৰ ভল কৰি পেলালো। লোভৰ বশৱৰ্তী হৈ মই ষড়যন্ত্ৰ কৰি তোমাক ঘৰৰ পৰা খেদি পঠিয়ালো। কিন্তু তোমাৰ পবিত্ৰ অন্তৰখনৰ কথা গমেই নাপালো। তোমাৰ লগত থকা সম্পৰ্ক যে তেজৰ সম্পৰ্কতকৈও গাঢ় সেয়া মোৰ নিচিনা স্বাৰ্থপৰৰ কাৰণে বজাটো কঠিন আছিল মোক ক্ষমা কৰি দিয়া। (ভৰিত ধৰিব খোজে।)

সপোন ঃ (কেঁকনি বাটি যায়।) নালাগে নবৌ নালাগে মোক ক্ষমা খজিব নালাগে। আজি মই মোৰ হেৰুৱা ঘৰখন পনৰ পাইছো। সেয়ে.....
(সপোন চিৰদিনৰ কাৰণে শুই ৭ আটাইয়ে কান্দোনত ভাঙি পৰে।)

CAS
Completing 19 years of service excellence
CAS COMPUTERS
A Multi Brand Retail IT Showroom
Tinsukia
1st Floor, Tayal Complex, Chirwapatty Road
Tinsukia(Assam) Tel : 0374-2332902, 2334902, 2342902
M : 97060-74578, e-mail : tinsukia@cascomputers.in
Guwahati
707, G.S. Road, 1st floor, Gogoi Building
Near Skylab, Ulubari Flyover, Guwahati - 781007
Tel : 0361-2466970, M :9435037902,9706037902
e-mail : guwahati@cascomputers.in
HCL hp lenovo iball acer TOSHIBA Leading Innovation DELL SONY EPSON EXCEED YOUR VISION Microsoft ASUS Canon Nikon

গৰীবী হটাও

মহঃ চাজিদ আলি
এম.বি.এ. (পি.টি) ২০১১ বহ
বি.ই. (কেমিকেল ইঞ্জিনিয়াৰিং), এ.ই.
ডিপ্লমা ইণ্ডষ্ট্রিয়েল চেফাঁ
আন্নামালাই ইউনিভাৰচি
saju.at.nemuguri@gmail.com



